# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-02-2026 **Time :** 1910 Hrs.

## *Assamese Evening Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰীৰ নতুন কাৰ্যালয় সেৱা তীৰ্থ ভৱন চৌহদ মুকলি কৰে।

২। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে শেহতীয়া সকলো মুক্ত বাণিজ্য নীতিয়ে দেশৰ জাতীয় স্বাৰ্থৰ লগতে কৃষক কল্যাণক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়া বুলি প্ৰকাশ কৰে।

৩। কেন্দ্ৰীয় চৰকাৰে ২৫ লাখ মেট্ৰিক টন ঘেঁহুৰ লগতে অতিৰিক্তভাৱে ৫ লাখ মেট্ৰিক টন ঘেঁহুৰ পৰা উৎপাদিত সামগ্ৰী ৰপ্তানিত অনুমোদন জনাইছে।

৪। বাংলাদেশৰ নিৰ্বাচন আয়োগে ঘোষণা কৰা অনানুষ্ঠানিক তথ্য অনুসৰি দেশখনৰ ২৯৭টা সমষ্টিৰ ভিতৰত বি এন পি আৰু মিত্ৰজোঁটে ২১২ খন আসনত জয়লাভ কৰিছে।

আৰু

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত আমেৰিকা, নেডাৰলেণ্ডছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰীয় ৰাজধানীত সেৱা তীৰ্থ ভৱন চৌহদ মুকলি কৰে। উল্লেখযোগ্য যে এই ভৱনটো প্ৰধানমন্ত্ৰী নতুন কাৰ্যালয় হিচাপে পৰিগণিত হ'ব। সেৱা তীৰ্থলৈ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় স্থানান্তৰ কৰাৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে পি এম ৰাহত আঁচনিত অনুমোদন জনোৱাৰ উপৰি  লাখপতি বাইদেউ আঁচনিৰ লক্ষ্য দুগুণ কৰি ৬ কোটি টকালৈ বৃদ্ধি কৰে। তদুপৰি কৃষি, আন্তঃগাঁথনি পুঁজি ২ লাখ কোটি টকালৈ বৃদ্ধি কৰাৰ লগতে ষ্টাৰ্টআপ ইণ্ডিয়াৰ পুঁজিও ১০ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰা হয়। শ্ৰীমোদীয়ে প্ৰান্তীয় জনসাধাৰণ, যুৱ চাম, মহিলা তথা কৃষকসকলৰ কল্যাণৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্তত অনুমোদন জনায়। সেৱা তীৰ্থৰ পৰা গ্ৰহণ কৰা শ্ৰীমোদীৰ সিদ্ধান্তসমূহে প্ৰধানমন্ত্ৰীগৰাকীৰ সেৱাৰ মনোভাৱ প্ৰতিফলিত কৰাৰ লগতে এই সিদ্ধান্তসমূহত সমাজৰ প্ৰতিটো শ্ৰেণীৰ জনসাধাৰণক স্পৰ্শ কৰাৰ প্ৰয়াস পৰিলক্ষিত হৈছে। পি এম ৰাহত আঁচনিৰ অধীনত দুৰ্ঘটনাত আহত লোকসকলৰ বাবে ডেৰ লাখ টকালৈকে নগদবিহীন চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ জৰিয়তে জৰুৰীকালীন চিকিৎসাৰ অভাৱত যাতে কোনো প্ৰাণহানি নহয় তাক নিশ্চিত কৰিব বিচৰা হৈছে। উল্লেখযোগ্য যে ২০২৭ চনৰ মাৰ্চ মাহলৈ লাখপতি বাইদেউ আঁচনিৰ অধীনৰ হিতাধিকাৰীৰ সংখ্যা ৩ কোটিলৈ বৃদ্ধি কৰিবলৈ বিচৰা হৈছিল যদিও ইতিমধ্যে চৰকাৰ এই লক্ষ্যত উপনীত হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০২৯ চনৰ মাৰ্চ মাহৰ পূৰ্বে লাখপতি বাইদেউ আঁচনিৰ অধীনৰ হিতাধিকাৰীৰ সংখ্যা ৬ কোটিলৈ বৃদ্ধি কৰাৰ লক্ষ্য লৈছে। কৃষি আন্তঃগাঁথনি পুঁজি দুগুণ কৰি তোলাৰ জৰিয়তে দেশৰ সমগ্ৰ কৃষি মূল্য শৃংখল শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছে। তদুপৰি ষ্টাৰ্টআপ ইণ্ডিয়া ২.০ৰ পুঁজিৰ বাবে ১০ হাজাৰ কোটি টকা মঞ্জুৰ কৰাৰ লগতে দেশৰ উদ্ভাৱনী পৰিৱেশতন্ত্ৰৰ অগ্ৰগতি ত্বৰান্বিত কৰাৰ প্ৰয়াস কৰা হৈছে।

গৃহমন্ত্ৰী অমিত শ্বাহে আজিৰ দিনটো ঐতিহাসিক বুলি উল্লেখ কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীশ্বাহে প্ৰধানমন্ত্ৰীৰ নতুন কাৰ্যালয় সেৱা তীৰ্থৰ জৰিয়তে প্ৰধানমন্ত্ৰী শ্ৰীমোদীৰ নেতৃত্বৰ চৰকাৰৰ সেৱাৰ মনোভাৱ প্ৰতিফলিত হোৱা বুলি প্ৰকাশ কৰে। এখন আত্মনিৰ্ভৰশীল তথা উন্নত ভাৰত গঢ়ি তোলাৰ ক্ষেত্ৰত এয়া মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি কয় যে শেহতীয়া সকলো মুক্ত বাণিজ্য নীতিয়ে দেশৰ জাতীয় স্বাৰ্থৰ লগতে কৃষক কল্যাণক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিছে। এই ক্ষেত্ৰত তেওঁ ইউৰোপীয় সংঘ তথা আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে হোৱা চুক্তিৰ প্ৰসঙ্গও উল্লেখ কৰে। নতুন দিল্লীৰ ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান আই এ আৰ আইৰ ৬৪

সংখ্যক সমাৰ্বতন সমাৰোহত ভাষণ দি তেওঁ এই কথা প্ৰকাশ কৰে। দেশে চীনক অতিক্ৰম কৰি চাউল উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ সৰ্বশ্ৰেষ্ঠ স্থান দখল কৰা বুলি উল্লেখ কৰি তেওঁ ভাৰতত উৎপাদিত বিভিন্ন প্ৰকাৰৰ ঘেঁহুৱে বিশ্বত জনপ্ৰিয়তা লাভ কৰা বুলিও প্ৰকাশ কৰে। শ্ৰীচৌহানে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিকদৰ্শনত এখন শক্তিশালী, গৌৰৱপূৰ্ণ, সমৃদ্ধ, আত্মনিৰ্ভৰশীল তথা উন্নত ভাৰত নিৰ্মাণ হৈ আছে বুলিও প্ৰকাশ কৰে। বিকশিত ভাৰত নিৰ্মাণৰ অভিযানত নিজৰ বৰঙণি যোগাবলৈ তেওঁ শিক্ষাৰ্থীসকললৈ আহ্বান জনায়। আজিৰ অনুষ্ঠানত স্নাতকোত্তৰ তথা ডক্টৰেট ডিগ্ৰী লাভ কৰা ৪৭০গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰা হয়।

ইপিনে, এম এম ইণ্টাৰনেচনেলৰ প্ৰতিষ্ঠাপক অংশীদাৰ নিমিশ ব'ৰাই আজি কয় যে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ বাণিজ্যিক চুক্তিয়ে দুয়োখন দেশৰ মাজৰ বাণিজ্যত নতুন গতি প্ৰদান কৰিব। আকাশবাণী বাতৰি বিভক্ষাগৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীব'ৰাই কয় যে এই বাণিজ্য চুক্তি ঘোষিত হোৱাৰ পাছৰে পৰা মছলাৰ ৰপ্তানি ত্বৰান্বিত হৈছে।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে ২৫ লাখ মেট্ৰিক টন ঘেঁহুৰ লগতে অতিৰিক্তভাৱে অতিৰিক্তভাৱে ৫ লাখ মেট্ৰিক টন ঘেঁহুৰ পৰা উৎপাদিত সামগ্ৰী ৰপ্তানিত অনুমোদন জনাইছে। গ্ৰাহক পৰিক্ৰমা তথা খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ঘেঁহুৰ সাপ্ৰতিক দৰ আৰু সামগ্ৰীৰ সুলভতা সম্পৰ্কে ব্যাপকভাৱে মূল্যায়ন কৰাৰ অন্তত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। মন্ত্ৰালয়ে লগতে কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তই ঘৰুৱা বজাৰৰ মূল্যমান স্থিৰ ৰখাৰ লগতে মজুত সামগ্ৰী পুনৰাবৰ্তন বা ৰ'টেচন বৃদ্ধি, বজাৰত সামগ্ৰীৰ বেচা-কিনাৰ সুচলতা আৰু কৃষকৰ আয় বৃদ্ধি কৰিব। ২০২৫-২৬ বৰ্যত ব্যক্তিগত প্ৰতিষ্ঠানত ৭৫ লাখ মেট্ৰিক টন ঘেঁহু মজুত থকাৰ বিপৰীতে যোৱা বছৰৰ এই সময়ছোৱাত ই প্ৰায় ৩২ লাখ মেট্ৰিক টন বৃদ্ধি পাইছিল। সেইদৰে যোৱা বছৰৰ ৩২৮ লাখ হেক্টৰ ভূমিত ঘেঁহুৰ উৎপাদন হোৱাৰ বিপৰীতে ২০২৬ৰ ৰবি শস্যৰ বতৰত ২৩৪ লাখ হেক্টৰ ভূমিত ঘেঁহু উৎপাদন কৰা হয়।

০০০০০০০০০

বাংলাদেশৰ নিৰ্বাচন আয়োগে ঘোষণা কৰা অনানুষ্ঠানিক তথ্য অনুৰি দেশখনৰ ২৯৭টা সমষ্টিৰ ভিতৰত বি এন পি আৰু মিত্ৰজোঁটে ২১২ খন আসনত জয়লাভ কৰিছে। বি এন পিয়ে অকলে ২০৯খন আসনত জয়লাভ কৰিছে। আনহাতে, বি এন পি মিত্ৰজোঁট গণসংহতি আন্দোলন, বাংলাদেশ জাতীয় পাৰ্টী আৰু গণ অধিকাৰ পৰিষদে এখনকৈ আসনত জয়লাভ কৰিছে। বাংলাদেশ জামাত-ই-ইছলামী আৰু মিত্ৰজোঁটে ৭৭খন আসনত জয়লাভ কৰিছে। দেশখনৰ ৩০০টা সমষ্টিৰ ভিতৰত ২৯৯টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হয়। এগৰাকী প্ৰাৰ্থী মৃত্যু হোৱাৰ পৰিপ্ৰেক্ষিতত এখন আসনৰ বাবে নিৰ্বাচন আনুষ্ঠিত কৰিব পৰা নগ'ল। দেশখনত এইবেলি ভোটদানৰ হাৰ ৬০ দশমিক ২-৬ শতাংশ বুলি জানিব পৰা গৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বাংলাদেশ নেচনেলিষ্ট পাৰ্টীৰ অধ্যক্ষ তাৰিক ৰহমানৰ সৈতে বাৰ্তালাপ কৰাৰ লগতে নিৰ্বাচনত জয়লাভ কৰাৰ বাবে তেওঁক শুভেচ্ছা জনায়। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে বাংলাদেশৰ জনসাধাৰণৰ অভিলাষ পূৰণ কৰাৰ বাবে তাৰিক ৰহমানৰ প্ৰয়াসৰ প্ৰতি সমৰ্থন ব্যক্ত কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ভাৰত আৰু বাংলাদেশৰ মাজৰ ঐতিহাসিক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ গভীৰ মিত্ৰতাৰ বিষয়ে উল্লেখ কৰি দুয়োখন দেশৰ জনসাধাৰণৰ শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতা অব্যাহত থাকিব বুলি দোহাৰে।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় তথা বস্ত্ৰ মন্ত্ৰালয়ৰ অধীনৰ হস্তশিল্পৰ বিকাশ আয়ুক্তৰ কাৰ্যালয়ৰ সহযোগত ৰাষ্ট্ৰীয় শিল্প সংগ্ৰহালয়ত ব্ৰিকছৰ চেৰ্পাসকলৰ বাবে এটা বিশেষ সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হয়। ভাৰতৰ অধ্যক্ষতাত নতুন দিল্লীত ব্ৰিকছৰ চেৰ্পাসকলৰ প্ৰথম বৈঠকৰ সফল পৰিসমাপ্তি উপলক্ষে এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। বস্ত্ৰ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই কাৰ্যসূচীৰ জৰিয়তে দেশৰ ঐশ্বৰ্যশালী সাংস্কৃতিক ঐতিহ্য, পৰম্পৰাগত শিল্প তথা সংগীত আৰু খাদ্যকে ধৰি বিভিন্ন প্ৰদৰ্শন কৰা হয়। ব্ৰাজিল, ৰাছিয়া, চীন, দক্ষিণ আফ্ৰিকা, ইজিপ্ত, ইথিওপিয়া, চৌদি আৰৱ, সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ, ইৰাণ আৰু ইণ্ডোনেছিয়ানৰ চেৰ্পাসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। ব্ৰিকছৰ সদস্য তথা মিত্ৰদেশসমূহৰ ৰাষ্ট্ৰদূতসকলকে ধৰি প্ৰায় ৩০ গৰাকী বৈদেশিক প্ৰতিনিধিয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি কৃষি আৰু সংসাধিত খাদ্য সামগ্ৰী ৰপ্তানি বিকাশ প্ৰাধিকৰণ, এপেডাৰ ৪০ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীগোৱেলে কয় যে বিগত চাৰি দশক ধৰি বিশ্বৰ বিপণন ক্ষেত্ৰসমূহত দেশৰ কৃষি আৰু সংসাধিত খাদ্যসামগ্ৰীসমূহৰ সংবৰ্ধন ত্বৰান্বিত কৰাত এই সংস্থাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। তেওঁ কয় যে এপেডাই দেশৰ কৃষি আৰু সংসাধিত খাদ্যসামগ্ৰীসমূহৰ বাবে আন্তঃৰাষ্ট্ৰীয় বজাৰ গঢ়ি তোলাত সহায় কৰাৰ জৰিয়তে দেশৰ কৃষি ৰপ্তানি পৰিৱেশতন্ত্ৰ শক্তিশালী কৰি তোলাৰ উপৰি কৃষকসকলৰ বাবে সুযোগ ত্বৰান্বিত কৰিবলৈ সক্ষম হৈছে।

০০০০০০০০০

আয়ুষ মন্ত্ৰী প্ৰতাপ ৰাও যাদৱে কাইলৈ মুম্বাইত ইউনানী দৰৱৰ আঞ্চলিক গৱেষণা প্ৰতিষ্ঠানৰ নৱনিৰ্মিত এটা বিশেষ কেন্দ্ৰ মুকলি কৰিব। চলিত বৰ্ষৰ ইউনানী দিৱস উদযাপনৰ অংশ হিচাপে এইভৱনটো মুকলি কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে এই কেন্দ্ৰটোৰ জৰিয়তে ইউনানী খণ্ডৰ সুবিধাসমূহ শক্তিশালী কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত আমেৰিকা, নেডাৰলেণ্ডছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আজিৰ তৃতীয়খন খেলত খেলখনত নেডাৰলেণ্ডছে টছত জিকি আমেৰিকাক বেট ধৰিবলৈ আমন্ত্ৰণ জনায়।

ইয়াৰ পূৰ্বে কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত জিম্বাব'ৱেই অষ্ট্ৰেলিয়াক ২৩ ৰাণত পৰাস্ত কৰে।

প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত কানাডা আৰু ইউ এ ইৰ মাজত অনুষ্ঠিত গ্ৰুপ-ডিৰ খেলখনত ইউ এ ইয়ে কানাডাক ৫ উইকেটত পৰাস্ত কৰে।

০০০০০০০০০

সমাপ্ত